**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী নৱ-নিৰ্বাচিত প্ৰাৰ্থীক আজি নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি দিনৰ ১১ বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি-পত্ৰসমূহ প্ৰদান কৰিব। ইয়াৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬ গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২ গৰাকী চতুৰ্থ বৰ্গৰ পদৰ প্ৰাৰ্থী আছে। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ৫ হাজাৰ ১০ গৰাকীয়ে অসম আৰক্ষী, ৪১১ গৰাকীয়ে অসম আৰক্ষী অনাতাঁৰ সংগঠন, ৩৬১ গৰাকীয়ে গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, ২১ গৰাকীয়ে অগ্নি আৰু জৰুৰীকালীন সেৱা, ১২ গৰাকীয়ে কাৰাগাৰ আৰু তিনিগৰাকীয়ে ফৰেনচিক বিজ্ঞান সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে। চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩ শতাংশ পদত নিৰ্বাচিত ১২০গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। ৫ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ শিক্ষকক ৰাজ্য চৰকাৰে ইতিমধ্যে নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০০০

টাই-আহোম উন্নয়ন পৰিষদে শিৱসাগৰ নগৰ সমীপৰ বেতবাৰী মৌজাত থকা আহোম ৰাজত্ব কালৰ বৰপাত্ৰ গোহাঁইসকলৰ সাতটা মৈদাম সংৰক্ষণৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপৰ অংশস্বৰূপে পৰহি মৈদামৰ চাৰিওকাষে নিৰ্মাণ কৰিবলগীয়া দেৱালৰ আধাৰশিলা স্থাপন কৰা হয়। মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰায় ৪৫ লাখ টকা পুঁজিৰে নিৰ্মাণ হ'বলগীয়া এই দেৱালখনৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে টাই-আহোম উন্নয়ন পৰিষদৰ পুঁজিৰে এই নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰা হ'ব। এই সন্দৰ্ভত মন্ত্ৰী হাজৰিকাই এইদৰে কয় –

**বাইট (পীযূষ হাজৰিকা)**

০০০০০০

নুমলীগড় শোধনাগাৰক কেন্দ্ৰীয় চৰকাৰে নৱৰত্নৰ মৰ্যাদা প্ৰদান কৰিছে। কেন্দ্ৰীয় বিত্তীয় মন্ত্ৰী নিৰ্মলা সীতাৰমণে নুমলীগড় শোধনাগাৰক নৱৰত্ন কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান হিচাপে কালি অনুমোদন জনায়। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তই অসম তথা উত্তৰ-পূৰ্বাঞ্চলক শক্তিখণ্ডত অধিক শক্তিশালী হোৱাৰ পথ প্ৰশস্ত কৰিব। তদুপৰি শোধনাগাৰটোত অন্তৰ্ভুক্ত হোৱা বাঁহভিত্তিক জৈৱ ইন্ধন প্ৰকল্পৰ জৰিয়তে অঞ্চলটোৰ জৈৱ ইন্ধনৰ শক্তি বৃদ্ধি পাব বুলি তেওঁ উল্লেখ কৰিছে। পূৰ্বে মিনি নৱৰত্নৰ মৰ্যাদা লাভ কৰা নুমলীগড় শোধনাগাৰ ২০২৪-২৫ বিত্তীয় বৰ্ষত ব্যৱসায় আছিল ২৫ হাজাৰ ১৪৭ কোটি টকা আৰু লাভাংশ আছিল এহেজাৰ ৬০৮ কোটি টকা।

০০০০০০

গুৱাহাটীৰ মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থাই কাছাৰত কালি এটা আন্তঃৰাষ্ট্ৰীয় মাদকদ্ৰব্য সৰবৰাহকাৰী চক্ৰক উৎখাত কৰে। সংস্থাৰ এটা দলে শিলচৰৰ সমীপৰ বৰাক নদীত অভিযান চলাই এখন নাৱৰ পৰা প্ৰায় ৬ কিলোগ্ৰাম হেৰোইন জব্দ কৰে। হেৰোইনখিনিৰ মূল্য চাৰে ১২ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। ঘটনা সন্দৰ্ভত লখিমপুৰৰ জেকব হামাৰ আৰু মেলদি হামাৰ নামৰ দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০

উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ দুজন সদস্যই কালি ডিব্ৰুগড় জিলাৰ জ্যেষ্ঠ অধীক্ষক অভিজিত গৌৰৱ দিলীপৰ ওচৰত অস্ত্ৰ সম্বৰণ কৰে। আলফা সদস্য দুজন অস্তিত্ব অসম আৰু বন অসম বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে বৰ্তমান দুয়োকে জেৰা কৰি আছে।

০০০০০০

অসমৰ ৬টা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰক সহমৰ্মিতাৰে বিবেচনা কৰিবলৈ কালি ৰাজ্যসভাত সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই আহ্বান জনায়। শ্ৰীবৈশ্যই কয় যে এই ছটা জনগোষ্ঠী অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ আৰু সেয়েহে জনজাতিকৰণৰ সকলো যোগ্যতা তেওঁলোকৰ আছে। বিৰোধী দল কংগ্ৰেছে সাংসদজনৰ এই বক্তব্যৰো তীব্ৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

উল্লেখযোগ্য যে ৰাজ্যৰ ছটা জনগোষ্ঠীক জনজাতিকৰণৰ বাবে গঠিত মন্ত্ৰীগোটে বিধানসভাত দাখিল কৰা প্ৰতিবেদন সন্দৰ্ভত কাইলৈ অসমৰ জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সৈতে আলোচনাত মিলিত হ'ব। এই আলোচনাকালত জনজাতীয় সংগঠনসমূহৰ ওজৰ-আপত্তিসমূহ সন্দৰ্ভত আলোচনা কৰাৰ লগতে ইয়াৰ নিষ্পত্তিৰ ব্যৱস্থা কৰা হ'ব।

ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰী গোটে বিধানসভাত দাখিল কৰা প্ৰতিবেদনক লৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদী কাৰ্যসূচী অব্যাহত আছে।

০০০০০০

ধেমাজি জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ধেমাজি চিটী কলেজ শাখা সাহিত্য সভাৰ সৌজন্যত মহাবিদ্যালয়খনত অহা ১২ আৰু ১৩ ডিচেম্বৰত তৃতীয় ধেমাজি সাহিত্য সমাৰোহ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত জিলাখনৰ সমাজ, সাহিত্য, সংস্কৃতি, শিক্ষা আৰু প্ৰশাসনীয় দিশলৈ অনবদ্য অৱদান আগবঢ়োৱা ৬০ বছৰ ঊৰ্ধৰ দুগৰাকী বিশিষ্ট ব্যক্তিক ধেমাজি ৰত্ন বঁটা আৰু ৪০ বছৰ ঊৰ্ধৰ দুগৰাকী ব্যক্তিক ধেমাজি গৌৰৱ বঁটা প্ৰদান কৰা হ'ব।

০০০০০০

সমাপ্ত